**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 16**-08-2024
**Time :** 1715Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***
**:::::::::::::::::::::::::::::::::::**

মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি নতুন দিল্লীত এখন সংবাদ মেল সম্বোধন কৰি জম্মু-কাশ্মীৰ আৰু হাৰিয়ানাৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰে। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচন তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'ব। ১৮ ছেপ্টম্বৰত প্ৰথম পৰ্যায়ত, ২৫ ছেপ্টেম্বৰ দ্বিতীয় পৰ্যায় আৰু ১ অক্টোবৰত তৃতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। আনহাতে এক অক্টোবৰত একেটা পৰ্যায়তে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব। দুয়োখন ৰাজ্যৰে ৪ অক্টোবৰ ভোট গণনা কৰা হ'ব। মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে জনোৱা অনুসৰি জম্মু-কাশ্মীৰৰ মুঠ ৯০টা বিধানসভা সমষ্টিত ৮৭ লাখৰো অধিক ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিব। কেন্দ্ৰীয় শাসিত অঞ্চলটোত ভোটগ্ৰহণৰ বাবে ১১ হাজাৰ ৮০০ ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হ'ব। আনহাতে হাৰিয়ানাত প্ৰায় দুই কোটি ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ ২০ হাজাৰৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হ'ব। উল্লেখযোগ্য যে, জম্মু-কাশ্মীৰৰ পৰা সংবিধানৰ ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

oooooooo

ধেমাজী জিলাৰ কাছাৰী ময়দানত ২০০৪ চনৰ ১৫ আগষ্টত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰিবলৈ যোৱাৰ সময়ত উগ্ৰপন্থীয়ে সংঘটিত কৰা বোমা বিস্ফোৰণত নিহত লোকসকলৰ স্মৃতিত আজি শোক দিৱস পালন কৰা হয়। লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত এই উপলক্ষে নিহতসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকলক শপত বাক্য পাঠ কৰোৱা হয়। এই কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত, বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে ভালেমান কৰ্মচাৰী উপস্থিত থাকে। ইয়াৰ উপৰিও জিলাখনৰ আন আন বিভাগসমূহতো শোক দিৱস পালন কৰা হয়। মাজুলী আৰক্ষী অধীক্ষকৰ কাৰ্যালয়তো আজি এই উপলক্ষে সন্ত্ৰাসবাদ আৰু হিংসাৰ বিৰোধিতাৰে বিষয়া কৰ্মচাৰীসকলে শপত বাক্য পাঠ কৰে। ডিব্ৰুগড় জিলা আয়ুক্ত বৈক্ৰম কৈৰীৰ উপস্থিতিত আজি কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলক শপত বাক্য পাঠ কৰোৱা হয়। চৰাইদেউ জিলা আয়ুক্তৰ কাৰ্যালয়ত শোক দিৱসৰ কাৰ্যসূচীত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে বিভিন্ন বিষয়া-কৰ্মচাৰীক সন্ত্ৰাসবাদ বিৰোধী শপত বাক্য পাঠ কৰোৱায়। তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়তো ধেমাজীৰ উগ্ৰপন্থীৰ বোমা বিস্ফোৰণত শিশুসহ নিৰিহ লোকৰ প্ৰাণ ত্যাগৰ সেই বিভিষিকাময় দিনৰ কথা সুঁৱৰি তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হয় বুলি আমাৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

oooooooo

২০২৫ চনৰ পদ্ম বঁটাসমূহৰ মনোনয়ন ছেপ্টেম্বৰৰ ১৫ তাৰিখ পৰ্যন্ত গ্ৰহণ কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীয়ে ৰাষ্ট্ৰীয় পুৰস্কাৰৰ প'ৰ্টেল awards.gov.inত মনোনয়ন দাখিল কৰিব পাৰিব। পদ্ম বঁটা দেশৰ আটাইতকৈ সন্মানীয় অসামৰিক বঁটা। পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী এই তিনি ভাগত পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰতি বছৰে পদ্ম বঁটা প্ৰাপকৰ নাম গণৰাজ্য দিৱসৰ আগদিনা বিয়লি ঘোষণা কৰা হয়।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই আজি মৰিগাওঁ জিলাত থকা পবিতৰা অভয়াৰণ্যৰ পৰিসৰ বৃদ্ধি কৰাৰ সন্দৰ্ভত দেশৰ সৰ্বোচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা গোচৰটোৰ সন্দৰ্ভত সংশ্লিষ্ট কেইবাটাও পক্ষৰ সৈতে বিশদভাৱে আলোচনা কৰে। আলোচনাত ৰাজ্যৰ বন বিভাগৰ দায়িত্বত থকা বিশেষ মুখ্য সচিব এম কে যাদৱ, মৰিগাওঁ আৰু কামৰূপ মহানগৰ জিলা আয়ুক্ত, গুৱাহাটী আৰু নগাওঁ বন সংমণ্ডলৰ বিষয়াৰ লগতে আন বিভাগীয় বিষয়াসকল উপস্থিত থাকে। বৈঠকত বন্য প্ৰাণীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি পবিতৰা অভয়াৰণ্যৰ পৰিসৰ বৃদ্ধিৰ বাবে কোনো সমস্যাৰ উদ্ভৱ নোহোৱাকৈ স্থানীয় লোকৰ পৰা কিদৰে ভূমি অধিগ্ৰহণ কৰিব পৰা যায় সেই বিষয়ে আলোচনা কৰা হয়।

মন্ত্ৰীগৰাকীয়ে আজি জাগীভকতগাওঁ মণ্ডল কাৰ্যালয়ত জাগীৰোড সমষ্টিত নতুনকৈ অন্তৰ্ভুক্ত হোৱা বঘৰা আৰু দিঘলবড়ী পঞ্চায়তৰ লোকসকলৰ সৈতে মত বিনিময় কৰে। আজিৰ অনুষ্ঠানতে মন্ত্ৰী হাজৰিকাই পঞ্চায়ত দুটাৰ অন্তৰ্গত কেইটামান নামঘৰলৈ সাহায্য সামগ্ৰী বিতৰণ কৰে।

০০০০০০০০

ঃসমাপ্তঃ